Total No. of Printed Pages—7

**HS/XII/A. Sc. Com/A/24**

**2 0 2 4**

## ASSAMESE

### ( Modern Indian Language )

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা *এটা* বা *দুটা* শব্দৰে (যি কোনো **দহটা**) : ১×১০=১০

(ক) ‘ডিভাইন কমেডী’ৰ লেখকৰ নাম কি?

(খ) ‘ৰজকিনী’ শব্দৰ অৰ্থ কি?

(গ) ‘পঞ্চম পুৰাণ’ কি?



Visit CollegeDekho

(ঘ) নাৰদ কাৰ পুত্ৰ ?

(ঙ) 'পেৰাডাইজ লষ্ট' কোনে ৰচনা কৰিছিল ?

(চ) প্ৰেমচন্দৰ সম্পূৰ্ণ নামটো কি ?

(ছ) ড০ ভবেন্দ্ৰনাথ শইকীয়া ৰচিত শিশু উপন্যাসখনৰ নাম কি ?

(জ) শ্ৰীশ্ৰী শংকৰদেৱৰ জন্মচনটো লিখা।

(ঝ) 'ইন্দ্ৰদ্যুম্ন' শব্দৰ অৰ্থ কি ?

(ঞ) 'উভতি নহাৰ কবিতা'ৰ কবিজনৰ নাম কি ?

(ট) 'কুকুৰ' কবিতাটো কোন পুথিত অন্তৰ্গত কৰা হৈছে ?

(ঠ) নলিনীবালা দেৱীৰ পিতৃৰ নাম কি ?

(ড) বীৰেশ্বৰ বৰুৱাৰ চাহবাগিছাখনৰ নাম কি ?

(ঢ) চিৰাজৰ সম্পূৰ্ণ নামটো লিখা।

(ণ) সীতাৰ আন এটা নাম কি ?

২। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) 'নৱজীৱন' নামৰ সৰু গদ্যপদ্যময় কিতাপখন ডান্টেৰ প্ৰেমিক জীৱনৰ আত্মচৰিত বুলিব পাৰি।

(খ) উমাপতি উপাধ্যায় মিথিলাৰ কবি আছিল।

(গ) জৈনেন্দ্ৰ কুমাৰ অসমীয়া ঔপন্যাসিক আৰু গল্পকাৰ।

(ঘ) শকট মানে গাড়ী।



Visit CollegeDekho

(ঙ) ‘কুকুৰ’ কবিতাটো এটা পৌৰাণিক কবিতা।

(চ) সীতাৰ দেউতাকৰ নাম আঘোণা।

(ছ) কন্দৰ্পৰ বিবাহিতা পত্নীৰ নাম সৰযু।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাইবোৰ পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) নাদেখিলে মন কৰে উচাটন
দেখিলে ______ জুড়ায়।

(খ) মানুহে গুণি-গাঁথি পোৱা গোটেইখিনি কল্পনা সম্ভাৰ লৈ ______ সৃষ্টি কৰে।

(গ) সেইটোনো ______ কাম হ’লনে?

(ঘ) জীয়াই থকাৰ ধেমালিটো মই এবাৰেই ______ গ’লো।

(ঙ) অহিংসা ______ ধৰ্ম।

(চ) বিফলতা লৈয়ে ৰচিলো জীৱন-গীতি সৰি পৰে দুচকুৰ ______।

(ছ) জাতি-বিজাতি মানুহে গঢ়া, ______ গঢ়া নহয়।

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) নৰকাসুৰ ক’ৰ ৰজা আছিল? তেওঁক কোনে আৰু কিয় বধ কৰে?

(খ) ড০ বাণীকান্ত কাকতি ৰচিত যি কোনো চাৰিখন গ্ৰন্থৰ নাম লিখা।



Visit CollegeDekho

(গ) পঞ্চৰাত্ৰ তত্ত্বলাভৰ বাবে নাৰদে কেনেধৰণৰ তপস্যা কৰিছিল?

(ঘ) কি পুথিৰ বাবে, কিমান চনত ৰবীন্দ্ৰনাথ ঠাকুৰে নোবেল পুৰস্কাৰ পাইছিল? তেওঁ কি ভাষাত সাহিত্য ৰচনা কৰিছিল?

(ঙ) 'বৰ্ণবোধ' গল্পৰ জয়ন্তীৰ ককায়েক দুটাই কি কি কাম কৰিছিল?

(চ) ইন্দ্ৰদ্যুম্ন ৰজাই কেনেকৈ জগন্নাথৰ মূৰ্তি নিৰ্মাণ কৰাইছিল?

(ছ) শ্ৰীশ্ৰী শংকৰদেৱৰ ৰচিত যি কোনো তিনিখন পুথিৰ নাম লিখা।

(জ) 'উভতি নহাৰ কবিতা'ত কবিৰ পৃথিৱীলৈ বাণী কি?

(ঝ) অমূল্য বৰুৱা কোন সময়ৰ কবি আছিল? তেওঁৰ কবিতাৰ ছন্দৰীতি কি?

(ঞ) "সিহঁতৰ প্ৰত্যেকৰে কপালত যে সনা আছে কুৰি শতিকাৰ সভ্যতাৰ নিলাজ হাতৰ চেকা।" 'সিহঁত' কোন? সিহঁতৰ কপালত সভ্যতাৰ চেকা সনা আছে বুলি কবিয়ে কিয় কৈছে?

(ট) 'নাটঘৰ' কবিতাটো কোনখন পুথিৰ পৰা লোৱা হৈছে? ইয়াত কবিয়ে সংসাৰখনক আৰু মানুহক কি ৰূপে কল্পনা কৰিছে?

(ঠ) নলিনীবালা দেৱীয়ে ৰচনা কৰা জীৱনীগ্ৰন্থ দুখনৰ নাম লিখা।

(ড) "ফুলনিত কৈয়ো ফুল চিঙি থকাজনী আৰু ধুনীয়া।" উক্ত কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল?

(ঢ) সাবিত্ৰী কোন? তাই কি কাৰণে বীৰেশ্বৰ বৰুৱাৰ ঘৰত আশ্ৰয় লৈছিল?

(ণ) 'চিৰাজ' নাটকৰ নাট্যকাৰৰ নাম কি? এই নাটকৰ মূল কি? মূলৰ লেখকৰ নাম কি?



Visit CollegeDekho

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

''এইজনীয়ে তোমাৰ জীৱন দেৱতা, তোমাৰ অন্তৰাত্মাৰ ওপৰত এৱেঁই প্ৰভুত্ব কৰিব।''

(খ) ''পুৰণি অসমীয়া সাহিত্যত নাৰদ এটি আমোদী চৰিত্ৰ।'' কথাষাৰৰ যথাৰ্থতা বিশ্লেষণ কৰা।

(গ) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত উপেন্দ্ৰনাথ গোস্বামী ৰচিত 'সাহিত্য' নামৰ পাঠটিৰ আধাৰত সাহিত্যত কল্পনাৰ গুৰুত্ব কিমান, সেই বিষয়ে বহলাই লিখা।

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) ইন্দ্ৰদ্যুম্ন ৰজাই কিদৰে যজ্ঞৰ আয়োজন কৰিছিল, 'ইন্দ্ৰদ্যুম্ন ৰজাৰ যজ্ঞ আয়োজন' কাব্যাংশৰ আধাৰত বহলাই লিখা।

(খ) অমূল্য বৰুৱাৰ 'কুকুৰ' কবিতাটোত অসমীয়া প্ৰগতিবাদী কবিতাৰ ধাৰা কিদৰে প্ৰকাশ পাইছে, লিখা।

(গ) নলিনীবালা দেৱীৰ 'নাটঘৰ' কবিতাৰ মূল ভাব লিখা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) সাম্প্ৰদায়িক সম্প্ৰীতিৰ ক্ষেত্ৰত 'চিৰাজ' নাটকৰ ভূমিকা সম্পৰ্কে এটি টোকা লিখা।



Visit CollegeDekho

(খ) ‘চিৰাজ’ নাটকৰ মূল উৎস কি? সেই উৎস আৰু নাটকীয় কাহিনীৰ পাৰ্থক্যসমূহ লিখা।

(গ) সামাজিক নাটক কাক বোলে? সামাজিক নাটক হিচাপে ‘চিৰাজ’ নাটকখনৰ এটা চমু মূল্যায়ন আগবঢ়োৱা।

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) বিহুৰ আগদিনা

(খ) আনৰ ভাল দেখিব নোৱাৰা

(গ) যি পানীত জন্মে

(ঘ) মাটিৰে নিৰ্মিত

(ঙ) হঠাতে হোৱা ঘটনা

(চ) যাৰ সীমা নাই

৯। ভাব-সম্প্ৰসাৰণ কৰা (যি কোনো **এছোৱা**) : ৪

(ক) অচিন কাঠৰ থোৱাকো নলগাবা

(খ) উলুৰ লগত বগৰী পোৱা

(গ) অধিক মাছত বগলী কণা



Visit CollegeDekho

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য-ৰচনা কৰা (যি কোনো **তিনিটা**) : ১×৩=৩

নপতা ফুকন ; হাত-দীঘল ; পানীৰ মিঠৈ ; তৰা-নৰা চিঙা ; জয়দেউ কাকূতি ; নদন-বদন।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**) : ১×৪=৪

চতুৰালি ; দৈহিক ; জালোৱা ; পুলকিত ; ফুলনি ; শীতল ; কচুৰনি।

১২। বিভক্তি কাক বোলে? বিভক্তি কেইপ্ৰকাৰৰ আৰু কি কি? ২+৩=৫

১৩। তলৰ যি কোনো **এটা** বিষয়ৰ এখন ৰচনা লিখা : ১০

(ক) ইন্টাৰনেটৰ প্ৰয়োজনীয়তা

(খ) তুমি উপভোগ কৰা এখন অসমীয়া চিনেমা

(গ) মেঘালয়ৰ পৰ্যটন

(ঘ) ছাত্ৰৰ কৰ্তব্য

(ঙ) তোমাৰ প্ৰিয় গ্ৰন্থ

★★★



Visit CollegeDekho